চমস্কিৰ মতে বাক্যগঠনত দুই প্ৰকাৰৰ নিয়ম পৰিলক্ষিত হয়। যেনে —

(ক) খণ্ডবাক্য গঠনৰ নিয়ম (Phrase Structural Rule)

(খ) ৰূপান্তৰ নিয়ম (Transformational Rule)


সাধাৰণতে বাক্য গঠিত হয় খণ্ডবাক্য গঠনৰ নিয়মেৰে আৰু শব্দেৰে। বাক্যত দুই প্ৰকাৰৰ খণ্ডবাক্য পোৱা যায়। যেনে —

(ক) বিশেষ্য খণ্ডবাক্য (Noun Phrase)

(খ) ক্ৰিয়া খণ্ডবাক্য (Verb Phrase)।

এই দুই ধৰণৰ খণ্ডবাক্যৰ সহায়ত শব্দবোৰৰ সহায় লৈ বহুধৰণৰ বাক্য গঠন কৰিব পাৰি। আনহাতে খণ্ডবাক্য গঠনৰ নিয়মেৰে বাক্য খণ্ডিত কৰি বিশ্লেষণ কৰিব পাৰি। তলত এটা অসমীয়া ভাষাৰ বাক্যৰ শব্দগুচ্ছ ভাঙি বিশ্লেষণ কৰি দেখুওৱা হৈছে।


(১)



বাক্য = বিশেষ্য খণ্ডবাক্য + ক্ৰিয়া খণ্ডবাক্য

দুষ্ট ল'ৰাটোৱে + পাৰ এটা মৰিয়াই মাৰিলে।


(২)




ইংৰাজী ভাষাৰ বাক্যৰ ক্ষেত্ৰতো এই খণ্ডবাক্য গঠনৰ নিয়ম প্ৰযোজ্য হয়। ইংৰাজী বাক্যৰ অৰ্থ বিশিষ্ট হৈ থাকে আৰু শব্দ ক্ৰমান্বয়ে সজোৱা হয়। তলত ইংৰাজী বাক্য এটা খণ্ডবাক্যৰ নিয়মেৰে ভাঙি দেখুওৱা হ'ল। যেনে —

'My friend will open the door.'

(৩)




কিছুমান ব্যাকৰণগত উপাদানৰ সহায়ত বাক্য গঠিত হয়। নোয়াম চমস্কিৰ তত্ত্বমতে বাক্যৰ ব্যাকৰণগত উপাদানসমূহক খণ্ডবাক্য গঠনৰ নিয়মেৰে খণ্ডিত কৰি

বিশ্লেষণ কৰা হয়। অন্তৰ্নিহিত হৈ থকা ব্যাকৰণগত উপাদানসমূহক তলত উল্লেখ কৰা ধৰণে বিশ্লেষণ কৰি দেখুৱালে সহজে বুজিব পাৰি —

(১) বাক্য (Sentence) → বিশেষ্য খণ্ডবাক্য (NP) + ক্ৰিয়াখণ্ডবাক্য (NP)

(২) বিশেষ্য খণ্ডবাক্য (NP) → নিৰ্দিষ্টবাচকতা (Det.) + বিশেষ্য (Noun)

(৩) ক্ৰিয়াখণ্ডবাক্য (NP) ক্ৰিয়া → (V) + বিশেষ্য খণ্ডবাক্য (NP)

(৪) ক্ৰিয়া (Verb) → সহায়কাৰী (Aux.) + ক্ৰিয়া (Verb)

(৫) বিশেষ্য খণ্ডবাক্য (NP) → নিৰ্দিষ্টবাচকতা (Det.) + বিশেষ্য (Noun)

ওপৰৰ ইংৰাজী বাক্যটো 'My friend will open the door' এই বাক্যটোৰ ব্যাকৰণগত ৰূপবোৰ এনেধৰণৰ ঃ

| | | | | |
|---|---|---|---|---|
| (১) | বিশেষ্য খণ্ডবাক্য | (NP) | - | My friend. |
| | সৰ্বনাম | (P) | - | my |
| | বিশেষ্য | (N) | - | friend |
| (২) | ক্ৰিয়াবাচক খণ্ডবাক্য | (VP) | | |
| | ক্ৰিয়া | (V) | - | open |
| | সহায়কাৰী | (Aux) | - | will |
| | বিশেষ্য | (N) | - | door |
| | নিৰ্দিষ্টবাচকতা | (Det) | - | the |

অসমীয়া ভাষাৰ বাক্যত খণ্ডবাক্য আৰু ক্ৰিয়া খণ্ডবাক্যৰ উপৰি এনে কিছুমান বাক্যাংশ পোৱা যায় সেইবোৰক উপবাক্য (Clause) বুলিহে ক'ব পাৰি। খণ্ডবাক্যসমূহ আসত্তিযুক্ত পদ সমষ্টি হ'লেও ই সম্পূৰ্ণ বাক্য হ'ব নোৱাৰে। অসমীয়া ভাষাত পোৱা খণ্ডবাক্যসমূহ উপবাক্যৰ দৰে প্ৰয়োগ হয়। যেনে —

(ক) বিশেষ্য বাক্যাংশ - (১) যিজনী ছোৱালী ইয়ালৈ আহিছিল তাই নাচিব জানে।

(২) মই জানো তেওঁ এজন কৃতী ছাত্ৰ।

(খ) বিশেষণীয় বাক্যাংশ - (১) কালি অহা ল'ৰাজন আহিছে।

(২) নাচি থকা ছোৱালীজনীয়ে মাকক মাতিছে।

(৩) চিঠি দিয়া পিয়নজনক বিচাৰিছে।

(গ) ক্ৰিয়া বিশেষণীয় বাক্যাংশ ঃ

(১) বেলি ডুবো ডুবো হওঁতে তেওঁ আহি পালেহি।

(২) মৰম কৰোঁতেই কেঁচুৱাটোৱে কান্দিলে।